# মোৰ দেশ

হীৰেন ভট্টাচাৰ্য

মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ।
মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।

দেশে দেশে দেশ আছে। এনে বহু দেশৰ অৰঙে-দৰঙে
মই ঘূৰিছোঁ। বহু বন্ধুৰ স'তে হাতে হাতে হাত ধৰি ফুৰিছোঁ।
কেতিয়াবা সাগৰ পাৰত, কেতিয়াবা খেজুৰ তলত, নতুবা
পাহাৰতলিত খন্তেক জিৰাইছোঁ। বন্ধুৰ সতে প্ৰাণ খুলি
প্ৰাণৰ কথা পাতিছোঁ। তাৰ পিছত আকৌ আৰম্ভ কৰিছোঁ নতুন যাত্ৰা।

এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ উমে মোক
দিছে ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য! জীৱনৰ নতুন অৰ্থ।
এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই আনে ঐশ্বৰ্যৰ বিপুল সম্ভাৰ।
প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস। প্ৰতিটো ঋতুৱে
মোক দি যায় জীৱনৰ আশীৰ্বাদ।

এই দেশৰ বাবে মই জীয়াই আছোঁ। এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণ পণ কৰিছোঁ। ৰণুৱা, বনুৱা, হালোৱা
এইসকলৰ মাজত মই আছোঁ— মোৰ দেশৰ বাবে। অনৈক্যৰ
মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।
জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ।

শত্রু-মিত্র সকলোকে মই চিনিছোঁ। সিহঁতৰ অন্তৰ মই বিশ্বাসেৰে
জিনিছোঁ। শান্তিৰ চৰাইযুৰিক আঁজলি ভৰাই মই দিছোঁ— ভঁৰালৰ
এমুঠি ধান, পৰাণৰ একোটি গান।
আৰুতো মোৰ একো নাই!
মোৰ দেশ— মোৰ কল্লোলিত সপোনৰ উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰ পৰা গভীৰতৰলৈ, আদৰ্শৰ
কঠিন পৰ্বত-মূললৈ...

কবি-পৰিচয় :

হীৰেন ভট্টাচাৰ্য (১৯৩২-২০১২) ৰ জন্ম যোৰহাটত। কেইবাখনো চহৰত স্কুলীয়া শিক্ষা গ্ৰহণ কৰে। গুৱাহাটীৰ ভোলানাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা আই.এ.পাছ কৰে। ছপাশালৰ কাম আৰু শিক্ষকতাৰ লগতে চিত্ৰবন প্ৰেছৰ গৰাকীও আছিল। 'সুগন্ধি পখিলাৰ কবি' হিচাপে জনাজাত। তেওঁৰ কবিতাপুথি হ'ল—'ৰৌদ্ৰ কামনা', 'তোমাৰ বাঁহী', 'সুগন্ধি পখিলা', 'বিভিন্ন দিনৰ কবিতা', 'মোৰ প্ৰিয় বৰ্ণমালা' ইত্যাদি। 'শইচৰ পথাৰ মানুহ' কবিতাপুথিৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

পাঠবোধ :

'মোৰ দেশ' কবিতাটিত স্বদেশপ্ৰেমৰ নিভাঁজ ৰূপ জিলিকি উঠিছে। কবি তেওঁৰ শৈশৱ আৰু যৌৱন অতিবাহিত কৰা দেশখনৰ প্ৰতি সদায় দায়বদ্ধ। দেশৰ ঐক্য, সংহতি আৰু সম্প্ৰীতিৰ তেওঁ সদা সচেতন প্ৰহৰীস্বৰূপ। দেশৰ হকে কিবা এটা কৰাৰ প্ৰতিশ্ৰুতি কবিতাটিৰ মাজত জিলিকি আছে। কবিয়ে বিভিন্ন দেশ-বিদেশ ভ্ৰমণ কৰিছে যদিও সকলোৰে ওপৰত নিজৰ দেশক স্থান দিছে। প্ৰতিগৰাকী দেশবাসীৰ ৰক্তপ্ৰবাহত দেশানুৰাগ প্ৰবাহিত কৰিবলৈ কবিতাটিয়ে অনুপ্ৰাণিত কৰে।

**শব্দাৰ্থ আৰু টোকা :**

ঐশ্বৰ্য — বিপুল ধন-সম্পত্তি; বিভূতি।
কলৰোল — কলৰৱ।
পৰাণ — প্ৰাণ।
প্ৰাচুৰ্য — উৈভেনদী হৈ থকা অৱস্থা; আধিক্য।
সুবাস — ভাল গোন্ধ; সুগন্ধি; সুৰভি।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। (ক) হীৰেন ভট্টাচাৰ্যৰ ক'ত জন্ম হৈছিল?
(খ) হীৰেন ভট্টাচাৰ্যই সম্পাদনা কৰা দুখন কাকতৰ নাম লিখা।
(গ) দেশৰ প্ৰতিটো পুৱাই কবিৰ বাবে কি লুকাই আনিছে?
২। 'মোৰ দেশ' কবিতাটোৰ মূলভাৱ লিখা।
৩। ব্যাখ্যা কৰা ঃ
(ক) অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত
সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।
(খ) মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।
৪। কবিতাটোত কবিৰ দেশপ্ৰেমৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।
৫। প্ৰতিটো ঋতুৱে কবিক কি দি যায় বুলি কবিতাটোত উল্লেখ কৰিছে?
৬। শান্তিৰ চৰাইজনীক আঁজলি ভৰাই কবিয়ে কি দিছে?

**ভাষা-বিষয়ক :**

৭। সমাৰ্থক শব্দ লিখা :
দেশ, কাম, কলৰোল, সাগৰ, সপোন, বন্ধু, শেষ, সম্ভাৰ, শইচ, বুকু, তৰংগ, কল্লোল।
৮। বিপৰীতাৰ্থক শব্দ লিখা :
সপোন, দেশ, জীৱন, পাহাৰ, ঐক্য, সংহতি, শয়ন, বিশ্বাস, শত্ৰু।

● ● ●